# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 11-12-2024
**Time :** 1715 Hrs

# *Assamese Evening Bulletin*

- - - - - - - - - - - - - -

ৰাজ্য চৰকাৰৰ উদ্যোগত আজি শিক্ষা, ৰাজহ, উদ্যোগ আৰু বিত্ত বিভাগৰ জৰিয়তে সকলো জিলাতে **বিকাশৰ ১২ দিন** শীৰ্ষক উন্নয়ন কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হৈছে। গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কামৰূপ আৰু কামৰূপ মহানগৰ জিলাৰ **বিকাশৰ ১২ দিন**ৰ কাৰ্যসূচী শুভাৰম্ভ কৰে।

এই কাৰ্যসূচীৰ অংশ হিচাপে ৰাজ্য চৰকাৰৰ প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত আজিৰেপৰা ২৬ হাজাৰ ৯৬৯ গৰাকী শিক্ষাৰ্থীলৈ আনন্দৰাম বৰুৱা বঁটা প্ৰদান আনুষ্ঠানিকভাৱে আৰম্ভ কৰে। একেদৰে ড° বাণীকান্ত কাকতি বঁটা প্ৰদান আঁচনিৰ অধীনত দ্বাদশ শ্ৰেণীৰ পৰীক্ষাত কৃৰ্তিত্ব অৰ্জন কৰা শিক্ষাৰ্থীক স্কুটী বিতৰণ কাৰ্যসূচীৰ আজি আনুষ্ঠানিকভাৱে আৰম্ভ কৰা হয়। মুখ্যমন্ত্ৰীয়ে এই বঁটা প্ৰদানৰ শুভাৰম্ভ কৰাৰ পাছত পৰৱৰ্তী সময়ত প্ৰতিখন জিলাতে এই বঁটাসমূহ প্ৰদান কৰা হ'ব। আনহাতে, ড° বাণীকান্ত কাকতি বঁটা প্ৰদান কাৰ্যসূচীৰ অধীনত  উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষত ৭৫ শতাংশ বা ততোধিক নম্বৰ লাভ কৰা ছাত্ৰ আৰু ৬০ শতাংশ বা ততোধিক নম্বৰ লাভ কৰা ছাত্ৰীক স্কুটী প্ৰদান কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হৈছে। চলিত বছৰত মুঠ ৪৮ হাজাৰ ৬৭৩ গৰাকী ছাত্ৰ-ছাত্ৰীক শিক্ষা বিভাগে এই বঁটা প্ৰদান কৰিব। এই বঁটা প্ৰদান অনুষ্ঠানতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয়, যে যিসকলে উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হৈ ৰাজ্যৰ বাহিৰৰ মহাবিদ্যালয়ৰ লগতে আন ক'চিং কৰিবলৈ গৈছে তেওঁলোকে এই বঁটা নাপাব। অসমৰ মহাবিদ্যালয়ত নামভৰ্তি কৰিলেহে এই বঁটাৰ বাবে বিবেচিত হ'ব বুলি তেওঁ লগতে উল্লেখ কৰে। আজিৰ অনুষ্ঠানতে কামৰূপ জিলাৰ ২ হাজাৰ ৭৩৫ খন আৰু কামৰূপ মহানগৰ জিলাত ২ হাজাৰ ৯০৭ খন স্কুটী বিতৰণ কৰা হয়।

একেটা অনুষ্ঠানতে ৰাজ্য চৰকাৰে ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনাৰ জৰিয়তে দুৰ্যোগত ক্ষতিগ্ৰস্ত পৰিয়াললৈও সাহায্য প্ৰদান কৰা হয়। লগতে কৃষি, মীণ, পশুপালন আৰু পশুচিকিৎসা খণ্ডত ক্ষতিগ্ৰস্ত পৰিয়াললৈ সাহায্য তথা ৰাজ্যৰ মাইক্ৰ'ফাইনেন্সৰ ঋণীক No Dues Certificate প্ৰদান কৰা হয়।

একেটা কাৰ্যসূচীৰে অংশ হিচাপে যোৰহাট ষ্টেডিয়ামত আজি উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ২ হাজাৰ ১১৮ গৰাকী ছাত্ৰীৰ ভিতৰত ১০ গৰাকীক মন্ত্ৰী অজন্তা নেওগে আনুষ্ঠানিকভাৱে স্কুটীৰ ছাবি প্ৰদান কৰে। জিলাখনত ৮ হাজাৰ ৫০৬ গৰাকী নৱম শ্ৰেণীত অধ্যয়নৰত শিক্ষাৰ্থীক চাইকেল প্ৰদান কৰা হ'ব।

ooooo

উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ আলিপুৰ সংমণ্ডলৰ অধীনৰ অসম সীমান্তৰ ওচৰত পশ্চিমবংগৰ জুৰাই ৰে'ল ষ্টেচনত আজি কেইবাটাও কোচ-ৰাজবংশী সংগঠনে আহ্বান দিয়া অনিৰ্দিষ্টকালীন ৰে'ল অৱৰোধৰ ফলত ৰাজধানী এক্সপ্ৰেছকে ধৰি কেইবাখনো ৰে'লগাড়ীৰ যাত্ৰা পথ সলনি কৰিবলগীয়া হয়। এই অৱৰোধৰ বাবে

আজি গুৱাহাটী আৰু নিউ জলপাইগুৰিৰ মাজত চলাচল কৰা বন্দে ভাৰত এক্সপ্রেছ আৰু বঙাইগাঁও-নিউ জলপাইগুৰিৰ মাজত চলাচল কৰা এক্সপ্রেছকেইখনৰো যাত্রা বাতিল কৰিবলগীয়া হয়। উত্তৰ-পূব সীমান্ত ৰে'লৱেই জনোৱা মতে আজি পুৱা প্রায় ৬ বাজি ৪৫ মিনিটত জোৰাই ৰে'ল ষ্টেচনত কেইবাহাজাৰো লোক সমবেত হৈ ৰে'ল পথত অৱস্থান কৰিবলৈ লয় আৰু ফলত সেই পথছোৱাৰে ৰে'ল চলাচল বন্ধ হৈ পৰে। উত্তৰ-পূব সীমান্ত ৰে'লৱেই ফকিৰাগ্রাম-গোলকগঞ্জ-নিউ কোচবিহাৰ বিকল্প পথেৰে উজনিমুৱা ব্রহ্মপুত্র মেইল, উজনিমুৱা কামৰূপ এক্সপ্রেছ, ২০৫৪৩ নামনিমুৱা ৰাজধানী এক্সপ্রেছ, ১২৪২৩ নামনিমুৱা ৰাজধানী এক্সপ্রেছ, বিবেক এক্সপ্রেছ, কেপিটেল এক্সপ্রেছ, শিলচৰ-কইম্বাটুৰ এক্সপ্রেছ, ডিব্রুগড়-দেওঘৰ এক্সপ্রেছ ৰে'লগাড়ীকেইখনৰ চলাচল কৰোৱায়। এন এফ ৰে'লৰে কর্তৃপক্ষই জোৰাই ৰে'ল ষ্টেচনৰ সুৰক্ষাৰ বাবে সকলো ব্যৱস্থা গ্রহণ কৰিছে বুলি ইয়াৰ মুখ্য জনসম্পর্কৰক্ষী বিষয়াই জনাইছে।

ooooo

বি টি আৰৰ তথ্য আৰু জনসম্পর্কৰক্ষী বিভাগে ছাত্র-ছাত্রীৰ মাজত সামাজিক মাধ্যমৰ প্রভাৱ আৰু চাইবাৰ সুৰক্ষাৰ বিষয়ে সজাগতা সৃষ্টিৰ উদ্দেশ্যে আজি কোকৰাঝাৰৰ বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ত বিশেষ সজাগতা অভিযানৰ আয়োজন কৰে। বি টি আৰৰ কার্যবাহী সদস্য ড০ নিলুট স্বৰ্গীয়াৰীয়ে উদ্বোধন কৰা এই অভিযানত কেৰিয়াৰ সম্পৰ্কীয় পৰামর্শদাতা ৰঞ্জন কে বৰুৱা আৰু বি টি চিৰ সচিব ৰক্তিম বৰুৱা উপস্থিত থাকে।

ooooo

ৰাজ্যখনৰ এগৰাকী যশস্বী সন্তুৰ বাদক, আকাশবাণী আৰু দূৰদৰ্শনৰ স্বীকৃতিপ্রাপ্ত শিল্পী পংকজ শৰ্মাৰ আজি পুৱতি নিশা বৃক্কজনিত ৰোগত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পাতালত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৬৮ বছৰ। নলবাৰীৰ বৰকুলহাটীত জন্ম গ্রহণ কৰা শৰ্মা গুৱাহাটীৰ পাঞ্জাবাৰীৰ স্থায়ী বাসিন্দা আছিল আৰু ভালেমান সামাজিক-সাংস্কৃতিক সংস্থাৰ সৈতে জড়িত আছিল।

ooooo

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে ইয়াৰ বাতৰি আৰু আন অনুষ্ঠান সম্পর্কত শ্রোতাসকলৰ পৰা পোনপটীয়াকৈ মতামত, অভিযোগ আৰু পৰামর্শ লোৱাৰ ব্যৱস্থা কৰিছে। ইয়াৰ বাবে ৯৮৬৪০-৫৫৫৬৬ নম্বৰৰ Whatsapp যোগে মতামত গ্রহণৰ ব্যৱস্থা মুকলি কৰা হৈছে। শ্রোতাসকলৰ পৰা লাভ কৰা টেক্সট বা ভইচ বার্তাৰ আধাৰত প্রতিমাহে একোটাকৈ অনুষ্ঠান প্রচাৰৰো দিহা কৰা হৈছে। অহা শনিবাৰ ১৪ ডিচেম্বৰৰ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত ইয়াৰ প্রথম খণ্ড প্রচাৰ কৰা হ'ব। এই অনুষ্ঠান চলি থকাৰ সময়তো আগ্রহী শ্রোতাই ২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ এই দুটা নম্বৰত অভিমত আৰু প্রশ্ন উত্থাপন কৰিব পাৰিব।

শ্রোতাসকলে আমাৰ ফেচবুক পেজ **এয়াৰ নিউজ গুৱাহাটী** আৰু **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইচ ৰাইত** কমেণ্ট কৰিও মতামত আৰু প্রশ্ন প্রেৰণ কৰিব পাৰিব।

ooooo

সমাপ্ত